**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছু সময় পূৰ্বে ডিব্ৰুগড় জিলাৰ মৰাণত উপস্থিত।

২। ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ বাজেট অধিবেশন।

৩। গুৱাহাটীত চলিত বৰ্ষৰ এপ্ৰিলত জল নিষ্কাষণ ব্যৱস্থা সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা।

**আৰু**

৪। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ মৰিগাঁও, নগাঁও আৰু হোজাই জিলাত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণৰ অনুষ্ঠান।

০০০০০০০

———এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছু সময় পূৰ্বে ডিব্ৰুগড় জিলাৰ মৰাণত উপস্থিত হয়। শ্ৰীমোদীয়ে চাবুৱাৰ এয়াৰ ফিল্ডত প্ৰথমে অৱতৰণ কৰে আৰু তাৰ পৰা ডিব্ৰুগড়-মৰাণ সংযোগী চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত বিশেষভাৱে বিকশাই তোলা ই এল এফ অৰ্থাৎ জৰুৰীকালীন উৰণ-অৱতৰণ ক্ষেত্ৰত অৱতৰণ কৰে। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে যুদ্ধ বিমান, পৰিবহণ বিমান আৰু হেলিকপ্তাৰৰ এয়াৰ শ্ব' উপভোগ কৰে। এই অনুষ্ঠান উপভোগৰ বাবে ডিব্ৰুগড় আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ কণ-কণ ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বয়োবৃদ্ধলৈকে বহু সংখ্যক লোকে ভিৰ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ পূৰ্বে মন্ত্ৰী যোগেন মহনে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আজিৰ দিনটো অসমবাসীৰ বাবে এটা ঐতিহাসিক দিন বুলি উল্লেখ কৰে।

**বাইট (যোগেন মহন)**

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী বৰ্তমান গুৱাহাটীলৈ ৰাওনা হৈছে। হাৰকিউলিছ বিমানেৰে গুৱাহাটীলৈ অহা প্ৰধানমন্ত্ৰীগৰাকী কিছু সময় পাছতে গুৱাহাটীত ৫ হাজাৰ ৪৫০ কোটি টকাৰো অধিক ধন ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। লাচিত ঘাটত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব। এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব। তেওঁ লগতে পি এম ই-বাছ্ সেৱাৰ অধীনত ১০০ খনৰো অধিক বৈদ্যুতিক বাছ্ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে আমিনগাঁৱত এটা ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰ মুকলি কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ ই-প্ৰশাসন প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণৰ হকে ৩৮৪ কোটি টকা ব্যয় সাপেক্ষে এই কেন্দ্ৰটো নিৰ্মাণ কৰি উলিওৱা হৈছে।

০০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৯ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অধিবেশনৰ দ্বিতীয় দিনা বিধানসভাত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান বাজেট উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তী মন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰী দিয়া হ'ব। অহা মে'ত নতুন চৰকাৰে শপত লোৱাৰ পাছত পৰৱৰ্তী বাজেট দাখিল কৰা হ'ব। ১৭ ফেব্ৰুৱাৰীত লেখানুদান দাখিলৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০০

চৈলিত বৰ্ষৰ এপ্ৰিলত গুৱাহাটীত জল নিষ্কাষণ ব্যৱস্থা সম্পূৰ্ণ হ'ব। ৰাজ্য চৰকাৰে এখন শপতনামাৰ জৰিয়তে গুৱাহাটী উচ্চ ন্যায়ালয়ক এই কথা অৱগত কৰিছে। গুৱাহাটী মহানগৰীত জল নিষ্কাষণ ব্যৱস্থা সম্পন্ন কৰাৰ বাবে ৬ খন নদী অৱবাহিকা সামৰি ড্ৰোণ সমীক্ষা চলাই থকা হৈছে। বাহিনী নৈৰ বাবে কৰা ব্যাপক প্ৰকল্প প্ৰতিবেদন ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু এটা প্ৰকল্পৰ প্ৰস্তাৱ লোৱা হৈছে বুলি চৰকাৰৰ শপতনামাখনত উল্লেখ কৰা হৈছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীৰ খণ্ড বিচাৰপীঠৰ শুনানতি এই কথা পোহৰলৈ আহিছে। নৰ্থ ইষ্ট ইক ডেভেলপমেণ্ট চছাইটিয়ে দাখিল কৰা এখন জনস্বাৰ্থজড়িত আবেদনৰ শুনানিত চৰকাৰৰ এই পদক্ষেপৰ অগ্ৰগতি সম্পৰ্কে জানিব পৰা গৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ বিভিন্ন অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে চৰকাৰৰ পদক্ষেপ সন্দৰ্ভত এই জনস্বাৰ্থজড়িত আবেদনখন দাখিল কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ মৰিগাঁও, নগাঁও আৰু হোজাই জিলাৰ মুঠ ৭ হাজাৰ ৯৬৪ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে নগাঁৰৰ নেহৰুবালীত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযূষ হাজৰিকা আৰু কৃষ্ণেন্দু পালে অংশগ্ৰহণ কৰিব। কাইলৈ মৰিগাঁও জিলাৰ এহেজাৰ ৯৪৪ গৰাকী, নগাঁও জিলাৰ ৪ হাজাৰ ১৯৬ গৰাকী আৰু হোজাৰ জিলাৰ এহেজাৰ ৮২৪ গৰাকী সম্ভাব্য উদ্যোগীৰ মাজত ধনৰাশি বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

00000000

-গুৱাহাটী উচ্চ ন্যায়ালয়ে পি এম ডিভাইন আঁচনিৰ অধীনত মা কামাখ্যা অত্যাধুনিক কৰিডৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰক সেউজ সংকেত প্ৰদান কৰিছে। এই কৰিডৰ নিৰ্মাণৰ ফলত কামাখ্যা মন্দিৰৰ মূল গাঁথনিৰ কোনোধৰণৰ পৰিৱৰ্তন বা ক্ষয়-ক্ষতি নহয় বুলি ৰাজ্য চৰকাৰে আশ্বাস দিয়াৰ পাছতে উচ্চ ন্যায়ালয়ে সেউজ সংকেত প্ৰদান কৰে।

উল্লেখযোগ্য যে এই কৰিডৰ নিৰ্মাণৰ ফলত কামাখ্যা মন্দিৰ আৰু দশ মহাবিদ্যা মন্দিৰৰ পুৰণি গাঁথনি আৰু মন্দিৰৰ ভিতৰৰ জলধাৰাত প্ৰভাৱ পৰাৰ আশংকাৰে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন আৰু এখন লেখ আবেদন দাখিল কৰা হৈছিল। এই আবেদনসমূহৰ শুনানিকালত মহাঅধিবক্তা দেৱজিৎ শইকীয়াই আই আই টি গুৱাহাটীয়ে অনুমোদন জনোৱা নক্সা আৰু আৰ্হিৰ ভিত্তিত এই কৰিডৰ প্ৰকল্প নিৰ্মাণ হ'ব বুলি আদালতক অৱগত কৰে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত বিজেপিৰ দলীয় কৰ্মীসকলৰ 'বুথ বিজয় সংকল্প সভা' অনুষ্ঠিত হ'ব। এই সভাত দলটোৰ ৮৬ হাজাৰ কৰ্মকৰ্তাই নিৰ্বাচনত জয়ৰ সংকল্প ল'ব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। নিৰ্বাচনৰ প্ৰাকক্ষণত এই সংকল্প সভাত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণে দলীয় কৰ্মকৰ্তাসকলক নতুন উদ্যম যোগাব বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত শ্ৰীলংকাৰ কলম্বোৰ ভাৰতীয় উচ্চায়োগত থকা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। টিংখাঙত  এখন সংবাদমেলযোগে মন্ত্ৰী শ্ৰী বৰাই ২০২০-২১ বৰ্ষৰ ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰা সাংস্কৃতিক কৰ্মী আৰু চলচ্চিত্ৰৰ নামসমূহ প্ৰকাশ কৰে। **বেলকনিত ভগৱান** ছবিখনে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ

চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰে। **শব্দ নিশব্দ কোলাহল** ছবিখনক ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হয়। **ধনজিৎ দাসে** ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। **শংকু ৰাজকোঁৱৰ** আৰু **জুবলি বৰুৱা**ক ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা আগবঢ়োৱা হৈছে। **ৰাজদ্বীপে** ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা লাভ কৰে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা **হৰিশ খান্না** আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা **মন্দাকিনী গোস্বামী**য়ে লাভ কৰে। কাইলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভিয্যপূৰ্ণ অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। এই বঁটাত থাকিব এখন প্ৰশস্তি পত্ৰৰ লগতে ৫০ হাজাৰ টকাৰ পৰা ২ লাখ টকাকৈ আৰ্থিক সাহাৰ্য্য। এই বঁটাৰ উপৰি ৰাজ্যৰ মুঠ ১০ টা ছবি গৃহলৈ ৫০ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব বুলি মন্ত্ৰী গৰাকীয়ে জানিবলৈ দিয়ে।

0000000

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত আমেৰিকাই নেদাৰলেণ্ড ছক ৯৩ ৰাণত পৰাজিত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমেৰিকাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৬টা উইকেটৰ বিনিময়ত ১৯৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেদাৰলেণ্ড ছে ১৬ অ'ভাৰতে আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১০৩ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে কালি দিল্লীত অনুষ্ঠিত এখন খেলত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই কানাডাক ৫ উইকেটত আৰু কলম্বোত অনুষ্ঠিত আন এখন খেলত জিম্বাবোৱেই অষ্ট্ৰেলিয়াক ২৩ ৰাণত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি দিনৰ ১১ বজাত শ্ৰীলংকাৰ এছ এছ চি ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত এখন খেলত আয়াৰলেণ্ড ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হয়। বিয়লি ৩ বজাত কলকাতাৰ ইডেন গাৰ্ডেচনছত ইংলেণ্ড আৰু স্কটলেণ্ড মুখামুখি হব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হবলগীয়া আজিৰ তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হব।

0000000

**সমাপ্ত**